ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

# *সুবালা* হোমেন বৰগোহাঞিৰ অনবদ্য নাৰী চৰিত্ৰ

ড° বিনীতা বৈশ্য
সহঃ অধ্যাপিকা, অসমীয়া বিভাগ
সুৰেন দাস কলেজ, হাজো

## সংক্ষিপ্তসাৰ ঃ

অসমীয়া উপন্যাসৰ ক্ষেত্ৰখনত ব্যতিক্ৰমী আংগিক আৰু বিষয়বস্তুৰে যিকেইগৰাকী ঔপন্যাসিকে উপন্যাস ৰচনাত কৃতিত্ব লাভ কৰিছিল, সেইসকল ঔপন্যাসিকৰ ভিতৰত হোমেন বৰগোহাঞিও অন্যতম। তেওঁ যিবোৰ উপন্যাস ৰচনা কৰিছিল, তাৰ ভিতৰত মোৰাভিয়াৰ উপন্যাসৰ প্ৰভাৱত বেশ্যাৰ কাহিনী লৈ 'সুবালা' ৰচনা কৰে। 'সুবালাৰ' কাহিনী 'সুবালা'ৰ চৰিত্ৰ আৰু সুবালাৰ কৰ্মই কঠোৰ পৰিশ্ৰমী ব্যক্তিবোৰৰ জীৱনৰহে যেন কঠোৰ পৰিশ্ৰমক প্ৰকাশ কৰিছে। তদানীন্তন সময়ত অসমীয়া উপন্যাস সাহিত্যত বেশ্যাৰ কাহিনী লৈ উপন্যাস ৰচনা কৰা কথাটো আছিল একধৰণৰ সাহসৰ কথা; যিটো বৰগোহাঞিয়ে সহজতে কৰি দেখুৱাইছিল। আলোচ্য পত্ৰখনত সুবালা চৰিত্ৰৰ কঠোৰ পৰিশ্ৰমৰ দিশটোকে সহানুভূতিৰে বিবেচনা কৰিবলৈ চেষ্টা কৰা হৈছে।

**বীজশব্দ ঃ** সুবালা, বেশ্যা, হোমেন বৰগোহাঞি, উপন্যাস, নাৰী

## প্ৰাক-কথন ঃ

অসমীয়া সাহিত্য জগতত বিশিষ্ট গদ্যৰীতিৰে যিকেইগৰাকী বিশিষ্ট সাহিত্যিক উজলি উঠিছিল সেই কেইগৰাকী সাহিত্যিকৰ ভিতৰত হোমেন বৰগোহাঞি অন্যতম। কুৰি শতিকাৰ প্ৰায় ষাঠিৰ দশকৰ পৰা উপন্যাস সাহিত্যত খোপনি পোতা বৰগোহাঞিৰ উপন্যাসে বৰ্তমানেও অসমীয়া উপন্যাস সাহিত্যৰ জগতত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

বৰগোহাঞিৰ প্ৰথম উপন্যাস হ'ল *সুবালা* (1963)। দেহোপজীৱিনীৰ জীৱনক আধাৰ হিচাপে লৈ এই উপন্যাসখন ৰচিত হৈছে। উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ হ'ল সুবালা। উপন্যাসখনৰ কাহিনীৰ অগ্ৰগতিত সুবালা চৰিত্ৰই বিশেষ ভূমিকা পালন কৰিছে।

**গৱেষণাৰ লক্ষ্য আৰু উদ্দেশ্য ঃ** আমাৰ এই আলোচনাটিৰ জৰিয়তে কঠোৰ পৰিশ্ৰমী নাৰীৰ (সুবালা) জীৱনৰ প্ৰতি থকা সততা, জীয়াই থকাৰ আগ্ৰহ, অৰ্থনৈতিক স্বাৱলম্বীতা আদি দিশকেইটাৰ প্ৰতি পঢ়ুৱৈক আগ্ৰহী কৰিবলৈ বিচৰা হৈছে।

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

**গৱেষণাৰ পৰিসৰ ঃ** গৱেষণীয় বিষয়টোৰ আওতালৈ সুবালা চৰিত্ৰৰ বাহ্যিক আৰু আভ্যন্তৰীণ— এই দুয়োট দিশৰ সূক্ষ্ম বিবেচনাক অনা হৈছে।

**গৱেষণাৰ পদ্ধতি ঃ** 'সুবালা' হোমেন বৰগোহাঞিৰ অনবদ্য নাৰী চৰিত্ৰ— শীৰ্ষক গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক— দুইটা পদ্ধতিয়েই অৱলম্বন কৰা হৈছে।

## সুবালা— বিচিত্ৰ নাৰী চৰিত্ৰ ঃ

সুবালা এগৰাকী সাধাৰণ নাৰী। গাঁৱৰ স্কুলত মাইনৰ পাছ কৰা সুবালাক সৰুতে মাকে মাষ্টৰণী কৰিব খুজিছিল। কিন্তু সেই মাকে মাষ্টৰণী কৰিব খোজা ছোৱালীজনী পৰিস্থিতিৰ পাকচক্ৰত পৰি দেহোপজীৱিনী হ'বলগীয়া হয়। মাকেই প্ৰথমে দেহোপজীৱিনী হোৱাৰ পথ সুবালাক মুকলি কৰি দিবলৈ বাধ্য হৈছিল।

উপন্যাসখনৰ প্ৰথমতে অটোগ্ৰাফ লেখনৰ জৰিয়তে ঔপন্যাসিকে সুবালাৰ মুখেৰেই সুবালাৰ কাহিনী কোৱাইছে। প্ৰথমতেই সুবালাই তাইৰ বিভিন্ন কামৰ পৰিচয় দিছে। তাৰ পিছতে স্বাভাৱিক জীৱন-যাপন কৰিব খোজা, অধ্যয়নৰ প্ৰতি ৰাপ থকা এগৰাকী কিশোৰী দৰিদ্ৰতাৰ বাবে বেশ্যা হোৱাৰ কৰুণ কাহিনী পোৱা যায়।

সৌন্দৰ্য নাৰীৰ এটা ভূষণ। মানুহৰ বাহ্যিক আৰু আভ্যন্তৰীণ দুয়োটা দিশৰ পৰাই সৌন্দৰ্য নিৰ্ণীত হয়। সুবালা এই দুয়োটা দিশতে সুন্দৰী আছিল। দৰিদ্ৰ হ'লেও জন্মগতভাৱে সুবালা শুৱনি আছিল। সুবালাৰ ওচৰলৈ অহা গ্ৰাহকৰ মুখৰ কথাৰেই সুবালাৰ সৌন্দৰ্যৰ কথা গম পোৱা যায়। আনহাতে সুবালা চৰিত্ৰৰ প্ৰকৃত আভ্যন্তৰীণ সৌন্দৰ্য ফুটি উঠিছে সুবালাই বাৰে বাৰে বেশ্যাবৃত্তিৰ বিৰুদ্ধে কৰা বিৰুদ্ধাচাৰণৰ পৰা। ভাৰতীয় তথা অসমীয়া নাৰীৰ প্ৰকৃত সৌন্দৰ্য সতীত্ব ৰক্ষাৰ মাজতে ফুটি উঠে। সুবালাই সেই সতীত্ব ৰক্ষাৰ বাবে বহু চেষ্টা কৰিছে। তাৰ মাজতে চিৰন্তন নাৰীৰ সহজাত সৌন্দৰ্য ফুটি উঠিছে। সুবালা বাধ্যত পৰি হ'লেও দেহোপজীৱিনী হোৱা বাবেহে সুবালাৰ সতীত্ব ধ্বংস হৈছে। সুবালা চৰিত্ৰটিৰ স্বপ্ন ভংগৰ একমাত্ৰ কাৰণ সত্বীত্ব নাশ। সুবালাৰ নাৰী জীৱনৰ এই স্বপ্নভংগৰ দুখভৰা কাহিনীয়ে চৰিত্ৰটিক বিশেষত্ব প্ৰদান কৰিছে। জয়ন্ত কুমাৰ বৰাৰ মত এটি এইখিনিতে সমৰ্থন কৰিব পাৰি—

> *সুবালা চৰিত্ৰটিৰ সৌন্দৰ্য বৃদ্ধি কৰিছে চৰিত্ৰটিৰ মাজেদি প্ৰদৰ্শন কৰা জীৱন স্বপ্ন আৰু স্বপ্নভংগৰ বেদনাৰ মাজেদি।*[1]

সুবালা চৰিত্ৰত আত্মসচেতনতা বিচাৰি পোৱা যায়। দেহোপজীৱিনী হোৱা বাবে আদৰ্শ ভাৰতীয় নাৰী বা আদৰ্শ অসমীয়া নাৰীৰ পৰম্পৰা সুবালা চৰিত্ৰত বিচাৰি পাবলৈ টান যদিও সুবালা চৰিত্ৰৰ এক আত্মমৰ্যাদা থকা দেখা যায়। সুবালই দুবাৰকৈ আত্মহত্যাৰ চেষ্টা চলাইছে। আত্মহত্যাৰ চেষ্টা চলোৱা সত্বেও সুবালা চৰিত্ৰটো দুৰ্বল হোৱা নাই। বৰং সতীত্ব ৰক্ষাৰ চেষ্টা কৰি বা পতিতালয়ৰ নৰক যন্ত্ৰণাৰ পৰা মুক্তি বিচাৰি সুবালাই আত্মহত্যা কৰিব বিচৰা বাবে চৰিত্ৰটো প্ৰকৃত সৌন্দৰ্যৰে সৌন্দৰ্যমণ্ডিত হৈ পৰিছে।

সুবালা চৰিত্ৰটো আৰম্ভণিৰ পৰাই আদৰ্শবাদী চৰিত্ৰ হোৱাৰ সুযোগ হেৰুৱাইছে বা ঔপন্যাসিকে চৰিত্ৰটোক সেই সুযোগ দিয়া নাই। তথাপিও দুই এটা ঠাইত নাৰী জীৱনৰ সৌন্দৰ্যৰে সুবালা অসমীয়া নাৰীৰ আদৰ্শত উদ্ভাসি উঠিছে। সুবালাৰ নাৰী জীৱনতো বিবাহৰ স্বপ্ন আছিল। দিদিয়ে সুবালাৰ ভাগ্য গণনা কৰি যিদিনা তাইক তাইৰ জীৱনলৈ এজন মানুহ আহিব বুলি কৈছিল, আনকি মানুহজনে তাইক বিয়াও কৰাব বুলি

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

কৈছিল, সেই কথা শুনি সুবালাই ক্ষন্তেকলৈ বিবাহৰ মাধুৰ্য উপলব্ধি কৰিবলৈ ল'লে। সুবালাৰ এনে উপলব্ধিৰ মাজত নাৰী জীৱনৰ স্বভাৱজাত উপলব্ধিৰ উমান পোৱা যায়। ঔপন্যাসিকে সুবালাৰ তেনে উপলব্ধি সুন্দৰ ৰূপত এনেদৰে বৰ্ণাইছে—

*বিয়াহু কি মধুৰ এই শব্দহু সমূলি পাহৰিয়েই গৈছিলো*
*মানুহৰ ভাষাত যে এনে এটা শব্দ আছে। জন্মান্তৰৰ*
*সুখ-স্মৃতিৰ দৰে সেই শব্দটো মোৰ কাণত প্ৰৱেশ কৰিলে,*
*লগে লগে কাণৰ কাষত মধুৰ সুৰেৰে বাজি উঠিল ঢোল*
*খোলৰ মন মতলীয়া ছেও, বিয়ানামৰ জাউৰি, হাঁহি*
*খলকনিৰ জোৱাৰ। বিয়াহু হোমৰ কাষত কন্যা হৈ বহাহু*
*সেন্দুৰেৰে ৰাঙলী মুখ, স্বামীৰ সংসাৰ, চকুৰ কাষত*
*প্ৰথম শিশুৰ কোমাল কান্দোনহু স্বৰ্গৰ স্বপ্নহু*[2]

সকলো নাৰীৰে বিয়াৰ বাবে এটা সপোন থাকে। সুবালাৰ কাৰণে বিবাহৰ সেই স্বপ্ন অকল্পনীয় স্বপ্ন। বেশ্যালয়ৰ চাৰিওবেৰৰ মাজত সুবালাই নাৰী জীৱনৰ স্বপ্ন ভংগৰ যন্ত্ৰণাৰে বেদনাত জৰ্জৰিত হৈ পৰিছিল। অৱশ্যে সুবালা চৰিত্ৰৰ সেই বেদনাই সুবালাক এক মাধুৰ্য প্ৰদান কৰিছিল।

সুবালা অসমীয়া পৰম্পৰাগত আদৰ্শ নাৰী নহ'লেও সুবালাৰ কিছু সংস্কাৰী চিন্তা আছিল। বেশ্যাবৃত্তিত জড়িত হৈ সন্তুষ্ট নোহোৱা সুবালাই অবাঞ্ছিত মাতৃত্বও কোনোদিন কামনা কৰা নাছিল—

*দুমাহ মই গা ধোৱা নাই, আৰু তাৰ কাৰণ*
*কি হ'ব পাৰে সেইটোও মই নজনা নহয়...*
*...। বেশ্যাই হওঁ বা যিয়েই হওঁ, কুমাৰী অৱস্থাত*
*অবৈধ গৰ্ভ ধাৰণৰ দৰে মাৰাত্মক সম্ভাৱনা এটা কল্পনা*
*কৰিবলৈকো মোৰ সাহস নহৈছিল।*[3]

অবাঞ্ছিত গৰ্ভধাৰণ কৰি মাতৃত্বৰ সকলো যন্ত্ৰণা ভোগ কৰিও সুবালা মাতৃ নহ'ল। মাতৃত্বৰ পৰা ৰেহাই পাবলৈ শেষত সুবালাই ভ্ৰূণ হত্যা কৰিছে। যিটো সুবালাৰ বাবে মৰ্মান্তিক অনুভৱ আছিল। ইয়ে সুবালাৰ চৰিত্ৰক দুখ বেদনাৰে উজ্জ্বল কৰি তুলিছিল—

*মাতৃত্বৰ সকলো যন্ত্ৰণা মই ভোগ কৰিলো, কিন্তু মাতৃ নহ'লো।*[4]

সুবাল চৰিত্ৰৰ এনে অনুভৱৰ মাজত নাৰী জীৱনৰ চিৰন্তন বাসনা প্ৰকাশ হোৱা দেখা যায়।

সকলো নাৰীৰে আশা থাকে। সুবালাৰো আশা আছিল। সেয়ে বিবাহিত জীৱন এটা পোৱাৰ তাইৰো হেঁপাহ হ'ল। কান্তি নামৰ মানুহজনক লৈ তাইও সপোন দেখিব ল'লে। তাইক দেহোপজীৱিনীৰ লাইনলৈ অনা দালালী বুঢ়ীজনীৰ এদিন কৰুণভাৱে চৰম নিঃসংগতা আৰু অসহায়তাৰ মাজতে যেতিয়া মৃত্যু হ'ল, তেতিয়া বুঢ়ীৰ মৃত্যুৰ পাছৰ পৰা সুবালা এগৰাকী পৰিপক্ক বেশ্যাত পৰিণত হ'ল। আগৰ দৰে সোঁতৰ বিপৰীতে যাবলৈ তাই চেষ্টা নকৰা হ'ল। এইখিনি সময়তে এদিন হঠাৎ কান্তি নামৰ এজন লোক তাইৰ ওচৰত আহি থিয় হ'ল। আন দহগৰাকী নাৰীৰ দৰে সুবালাও এগৰাকী নাৰী। বিবাহৰ স্বপ্ন দেখাত সুবালাৰো জন্মস্বত্ব অধিকাৰ আছে। কিন্তু সেই স্বপ্ন তিল তিলকৈ ভাঙি গ'ল। সেই স্বপ্নভংগৰ যন্ত্ৰণাই তাইক বেসুৰা কৰিছিল

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

আৰু তেনেতে ঘপহ্কৈ কান্তিয়ে তাইক বিবাহৰ প্ৰস্তাৱ দিওঁতে তাই নিজৰ কাণখনকে বিশ্বাস কৰিব নোৱাৰিলে। তথাপি তাইৰ হৃদয়ত সেই বাক্যবাণ তৰংগায়িত হৈ সোমাইছিল। তাইৰ সেই অনুভৱ নিতান্তই এগৰাকী নাৰীৰ চিৰকামনাৰ অনুভৱ। কান্তিয়ে তাইক বিয়া কৰাব খোজাত মুহূৰ্ততে সুবালাই এক নব্য সুখৰ অনুভৱত বুৰ গৈছিল। ঔপন্যাসিকে তাৰ বৰ্ণনা এইদৰে কৰিছে—

*এটা অপ্ৰত্যাশিত আঘাতৰ দৰে আহি কান্তিৰ মুখৰ*
*অবিশ্বাস্য শব্দকেইটাই মোৰ বুকুত খুন্দা মাৰি দিলে,*
*আৰু মোৰ গোটেই দেহটো হঠাৎ আন্দোলিত হৈ উঠিল।* [5]

দেহোপজীৱিনী এগৰাকীৰ বাবে বিবাহৰ প্ৰস্তাৱ এক আচহুৱা প্ৰস্তাৱ। সুবালাইও কান্তিৰ প্ৰস্তাৱক সেইবাবে প্ৰথমে গুৰুত্ব নিদিলে। কিন্তু হাতত পাটৰ বনকৰা মেখেলা এখন লৈ কান্তিয়ে যেতিয়া সুবালাৰ ওচৰত থিয় হ'লহি তেতিয়া সুবালা ক্ষণিকলৈ হ'লেও উৎফুল্লিত নহৈ নোৱাৰিলে। এগৰাকী অসমীয়া নাৰীয়ে বিবাহৰ বাবে এখন পাটৰ কাপোৰ মূল্যবান বস্ত্ৰ হিচাপে গ্ৰহণ কৰে। সুবালাৰো তেনেই হ'ল। কান্তিয়ে বিবাহৰ প্ৰস্তাৱৰ লগতে লৈ অহা পাটৰ মেখেলাখনে সুবালাক যথেষ্ট আনন্দিত কৰিলে। তাৰ বৰ্ণনাও উপন্যাসখনত পোৱা যায়—

*...টোপালাটো খুলি চাই দেখিলো, এখন অতি*
*ধুনীয়া বনকৰা অসমীয়া পাটৰ মেখেলা।...*
*ইমান দামী ধুনীয়া মেখেলা এখন পাই মোৰ মনটো*
*সঁচাকৈয়ে বৰ ভাল লাগি গ'ল।* [6]

সুবালাক হোমেন বৰগোহাঞিয়ে আদৰ্শবাদী নাৰী চৰিত্ৰ হিচাপে গঢ়ি তোলা নাই। তথাপি সুবালা চৰিত্ৰ য'ত য'ত বিস্তাৰিত হৈছে ত'ত ত'ত চৰিত্ৰটো সূক্ষ্ম আদৰ্শৰে উজলি উঠিছে। কান্তিৰ প্ৰস্তাৱক সন্মতি জনাই শেষত সুবালাই পতিতালয় এৰি যোৱাৰ সিদ্ধান্ত লয়। পতিতালয় এৰি যোৱাৰ আগমুহূৰ্তত তাই পতিতা গৃহত ৰোৱা খৰিকাজাই জুপি এৰি যাবলগীয়া হোৱাত দুখীত হৈছে। ফুলৰ প্ৰতি আকৰ্ষণ নাৰীৰ যেন সহজাত প্ৰবৃত্তি।

সুবালা চৰিত্ৰত চিৰন্তন অসমীয়া নাৰীৰ সংস্কাৰ দেখা যায়। কান্তিয়ে যিটো সন্ধিয়া তাইক নিবলৈ আহিছিল, সিদিনা সতী সাধ্বী তিৰোতাৰ দৰে সেন্দূৰৰ ফোট পিন্ধি সুবালাই কান্তিক অপেক্ষা কৰি আছিল। কান্তি আহি সুবালাৰ সন্মুখ পোৱাৰ লগে লগে সুবালাই ওৰণি টানি কান্তিক ভক্তি আৰু পবিত্ৰ ভাৱেৰে সেৱা কৰি পতি হিচাপে গ্ৰহণ কৰিছে। সুবালাৰ এনে আচৰণ অসমীয়া নাৰীৰ আচৰণ।

সুবালা চৰিত্ৰৰ মাজত সহানুভূতিৰ লেখ পোৱা যায়। প্ৰথমে সুবালাক নিজ মাতৃয়েই অনিশ্চিত ভৱিষ্যতলৈ ঠেলি দিছিল যদিও সুবালাই উপাৰ্জনৰ প্ৰথম সাঁচতীয়া ধন মাকলৈয়ে পঠিয়াইছিল। সুবালাৰ এনে কাৰ্যৰ মাজত সুবালাৰ সহানুভূতিশীল মনৰ পৰিচয় পোৱা যায়।

স্বামী আৰু সন্তানৰ সৈতে পৰিপূৰ্ণ সুখৰ সংসাৰৰ স্বপ্ন দেখাৰ মাজতে সুবালা চৰিত্ৰৰ আদৰ্শ ফুটি উঠিছে। কান্তিয়ে দেখুওৱা স্বপ্নৰ পিছে পিছে সেয়ে তাই দৌৰি গৈছিল। কিন্তু প্ৰথম ৰাতিতে সুবালাৰ সেই স্বপ্ন ভংগ হৈছিল। বেশ্যাক কোনো পুৰুষে পত্নী হিচাপে গ্ৰহণ নকৰে। বেশ্যা বেশ্যা হৈয়ে মৰে। সুবালাক এনে ৰূপতে সকলো পুৰুষে গ্ৰহণ কৰিছে। শেষত স্বপ্নভংগ সুবালা উভতি আহিছে পুনৰ বেশ্যাৰ লাইনলৈ।

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

শেষত অতি কৰুণভাৱে সুবালাৰ দেহ ব্যৱসায় বন্ধ কৰাৰ সময় আহি পৰিছে বুলি সুবালাই গ্ৰাহকৰ অভাৱত ব্যৱসায় বন্ধ কৰে।

সুবালা উচ্চ শিক্ষাৰে শিক্ষিত নহ'লেও জীৱনৰ শিক্ষাৰে অভিজ্ঞ আছিল। নিজৰ জীৱনৰ স্থিতি বিশ্লেষণ কৰি চাব পৰাৰ যোগ্যতা সুবালা চৰিত্ৰত বিদ্যমান। তৃতীয় পৰ্বত সুবালাক লাইনলৈ অনা বুঢ়ীমাকৰ মৃত্যুৰ পিছত সুবালাৰ জীৱনলৈ আকস্মিকভাৱে যি পৰিৱৰ্তন আহে তাৰ পৰিপ্ৰেক্ষিতত 'সুবালা'ই নিজৰ জীৱনৰ স্থিতি নিজে বিশ্লেষণ কৰিছে—

*মোৰ জীৱনটো ভালকৈ বিশ্লেষণ কৰি চালে দেখা যাব*
*যে বিভিন্ন সময়ত বিভিন্ন মানুহে মোৰ জীৱনটো নিয়ন্ত্ৰিত*
*কৰি আহিছে, নিজৰ স্বাধীন ইচ্ছাৰে চলিবলৈ মই কোনো*
*দিনেই অবাধ সুযোগ পোৱা নাই।* [7]

জীৱনৰ অভিজ্ঞতাৰে সুবালা অভিজ্ঞ। সুবালাই দেহোপজীৱিনী বৃত্তি গ্ৰহণ কৰিও জীৱনক বৈধভাৱে গ্ৰহণ কৰিছে। নিতান্তই পেটৰ ভোক নিবাৰণৰ অৰ্থে বেশ্যা বৃত্তিক সুবালাই গ্ৰহণ কৰিছে। পৰিশ্ৰমৰ বিনিময়তহে সুবালাই পাৰিশ্ৰমিক বিচাৰিছে। সুবালাৰ এই বৈধতাই সুবালা চৰিত্ৰৰ বিশেষত্ব। ঔপন্যাসিকে সুবালাৰ মুখেৰে এইদৰে এঠাইত কোৱাইছে—

*জীয়াই থাকিবৰ কাৰণে মানুহে পৰিশ্ৰম কৰিব লাগে।*
*দৈহিক মিলনো মোৰ কাৰণে অতি ক্লান্তিকৰ আৰু*
*কদৰ্য কায়িক পৰিশ্ৰমৰ বাহিৰে আন একো নহয়।* [8]

সুবালাক আদৰ্শ নাৰীৰ মৰ্যাদা নিদিলেও সুবালাৰ জীৱন ঘটনাৰ জৰিয়তে এখন আদৰ্শ সমাজ সৃষ্টিৰ প্ৰয়াস ঔপন্যাসিকৰ আছে। ঔপন্যাসিকে সুবালাক দেহোপজীৱিনী ৰূপত সৃষ্টি কৰি প্ৰধানকৈ দুটা ভয়াবহ সমস্যা দেখুৱাইছে— প্ৰথম, দৰিদ্ৰতাৰ ভয়াবহ ৰূপ আৰু দ্বিতীয় পুৰুষৰ দেহৰ ক্ষুধা নিবাৰণৰ কদৰ্য তৃষ্ণা।

ঔপন্যাসিকে সুবালাক অসম্ভৱ ৰূপত উপস্থাপন কৰা যেন লাগে। কাৰণ মাত্ৰ মাইনৰ পাছ নাৰী এগৰাকীয়ে নিজৰ ব্যক্তিগত জীৱনৰ কাহিনী লিখা কথাটো আজিৰ অধ্যয়ন পিয়াসীসকলৰ বাবে ভাবিবলগীয়া কথা যেন লাগে। প্ৰকৃততে এই অটোবায়'গ্ৰাফ লিখনৰ মাজত সুবালাৰ স্পষ্টবাদিতা আৰু সাহসৰ প্ৰমাণ পোৱা গৈছে। দেহোপজীৱিনী হ'লেও এগৰাকী দেহোপজীৱিনীয়ে ব্যৱসায়ৰ স্বাৰ্থত কৰা দেহৰ বেহাৰ কদৰ্যতা ৰাজহুৱা কৰিব নিবিচাৰে। কিন্তু সুবালাই সেই কাৰ্য কৰিছে। স্পষ্টভাৱে, লুক-ঢাক নকৰাকৈ সুবালাই নিজৰ কাহিনী লিখি গৈছে। হেজাৰজন প্ৰতাপী পুৰুষৰ অন্তৰালত লুকাই থকা কদৰ্যপূৰ্ণ তথা বীভৎস সম্ভোগৰ বাসনাক স্পষ্টভাৱে প্ৰকাশ কৰি আন কথাত সুবালাই সামাজিক সমস্যাৰ বিৰুদ্ধে যেন প্ৰতিবাদ কৰিছে। প্ৰকৃততে সুবালাই আত্মজীৱনী লিখি নিজক তথা বাস্তৱক নগ্নভাৱে উন্মেষ কৰিব পৰাতেই সুবালাৰ শুচিতা আৰু সাহসৰ পৰিচয় পোৱা যায়। সুবালাই জাক জাক ক্ষুধাৰ্ত পুৰুষৰ পৰা নিজক বচাবলৈ যি যি অপ্ৰাণ চেষ্টা কৰিছে বা সংগ্ৰাম কৰিছে সুবালাৰ নাৰীসত্বা তাতেই মহীয়ান হৈছে। সুবালা চৰিত্ৰৰ মহত্তম দিশটোৱে হ'ল সুবালাৰ এক নিৰলস সংগ্ৰাম। এই প্ৰসংগত জয়ন্ত কুমাৰ বৰাৰ মত এটি সমৰ্থন কৰিব পাৰি—

*বেশ্যাবৃত্তিৰ মাজতো সুবালাই মানবীয় আশা-আকাংক্ষাৰে*
*এগৰাকী সৎ নাৰী হিচাপে জীয়াই থাকিবলৈ যি সংগ্ৰাম,*

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

*সেই সংগ্ৰামেই সুবালা চৰিত্ৰৰ অন্যতম বিশেষত্ব।* [9]

সুবালা চৰিত্ৰত আত্মাৰ শুদ্ধতা তথা বৈধতা লক্ষ্য কৰা যায়। সুবালাই আত্মিকভাৱে কোনোদিন বেশ্যা বৃত্তিক গ্ৰহণ নকৰিলে। আত্মাৰ এই শুদ্ধতা, দেহৰ বেহাৰ মাজতো নিজক সহজতে আনৰ হাতত এৰি দিব নোখোজাৰ প্ৰয়াস, সুবালাৰ দুখ আদিৰ মাজতে সুবালা চৰিত্ৰৰ শুচিবায়ুগ্ৰস্ততা তথা আত্মাৰ শুদ্ধতা প্ৰকাশমান হৈছে। এই আত্মিক শুদ্ধতাই মানুহৰ প্ৰকৃত সুখ বা আনন্দৰ বিষয়। সুবালা চৰিত্ৰত এই মহৎ চাৰিত্ৰিক বিশেষত্ব লক্ষ্য কৰা যায়। প্ৰ াদ কুমাৰ বৰুৱাৰ মত এটি এইখিনিতে প্ৰণিধানযোগ্য—

> Her character is realistic both externally and
> internally. The elemental goodness of her soul
> is not deflowared by the foul winds of all the
> miseries of a woman condemned to lead the
> life of a harlot much beyond her will.[10]

সুবালা চৰিত্ৰটো বাস্তৱবাদী চৰিত্ৰ। সুবালাক বাস্তৱবাদী ৰূপত অংকন কৰিব পৰাতেই ঔপন্যাসিক কৃতকাৰ্য হৈছে। কল্পনাতকৈ বাস্তৱ অতি জঘন্য আৰু ভয়াবহ। সুবালা চৰিত্ৰই এই উপলব্ধি কৰাইছে। প্ৰকৃততে ঔপন্যাসিকে সুবালাক ব্যক্তিগতভাৱে জীৱনৰ দুৰ্ভাগ্যৰ ওপৰত গৈ উপস্থাপন কৰিছে। এইদৰে বিভিন্ন দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চালে দেখা যায় যে, অসমীয়া উপন্যাস সাহিত্যত সুবালা এক বিশেষ নাৰী চৰিত্ৰ; যি দেহোপজীৱিনী হৈও অট'বায়'গ্ৰাফত নিজক উন্মেষ কৰিবলৈ সংকোচ কৰা নাই বা ভয় কৰা নাই। এই সাহসৰ বাবেই সুবালা ব্যতিক্ৰমী নাৰী চৰিত্ৰ; যি অসমীয়া সমাজত বিৰল। এই প্ৰতিবাদী আৰু বিৰল নাৰী চৰিত্ৰটো অংকনেৰে ঔপন্যাসিকে নিজৰ সাহসৰ প্ৰমাণো অতি সুন্দৰকৈ দিব পাৰিছে।

## উপসংহাৰ ঃ

বৰগোহাঞিৰ উপন্যাসসমূহৰ মাজত প্ৰতিবাদী আৰু বলিষ্ঠ নাৰী চৰিত্ৰ হিচাপে যিকেইটা চৰিত্ৰ উজলি আছে, তাৰ ভিতৰত সুবালা অন্যতম। এই চৰিত্ৰটোৰ সাহস প্ৰশংসনীয়। সেয়ে অসমীয়া উপন্যাস সাহিত্যতে সুবালা চৰিত্ৰই উল্লেখযোগ্য স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে।

**পাদটীকা ঃ**

1 জয়ন্ত কুমাৰ বৰা, সুবালাৰ পৰা মৎস্যগন্ধালৈ....., পৃ. - 99
2 হোমেন বৰগোহাঞি, সুবালা, পৃ. - 106–107
3 হোমেন বৰগোহাঞি, উল্লিখিত গ্ৰন্থ, পৃ. - 112
4 হোমেন বৰগোহাঞি, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. - 117
5 হোমেন বৰগোহাঞি, উল্লিখিত গ্ৰন্থ, পৃ. - 156

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

6. হোমেন বৰগোহাঞিং, উল্লিখিত গ্ৰন্থ, পৃ. - 155
7. হোমেন বৰগোহাঞিং, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. - 123
8 হোমেন বৰগোহাঞিং, উল্লিখিত গ্ৰন্থ, পৃ. - 136
9 জয়ন্ত কুমাৰ বৰা, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. - 99
10. Bhimkanta Barua (ed.) *Journal of the Department of Assamese*, P. K. Baruah's article, 'Realistic woman characters in modern Assamese Literature', P.- 16

**গ্ৰন্থপঞ্জী ঃ**

**প্ৰধান গ্ৰন্থ ঃ**

1 বৰগোহাঞিং, হোমেন ঃ *সুবালা*, ষ্টুডেন্টচ্ ষ্ট'ৰচ, কলেজ হোষ্টেল ৰোড, গুৱাহাটী, চতুৰ্থ সং., ছেপ্টেম্বৰ, 2008।

**প্ৰাসংগিক গ্ৰন্থ ঃ**

1 কটকী, প্ৰফুল্ল ঃ *তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ*, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী, পৰিবৰ্দ্ধিত দ্বিতীয় প্ৰকাশ, 2002।
2 গগৈ, লীলা ঃ *অসমৰ সংস্কৃতি*, বনলতা, পাণবজাৰ, গুৱাহাটী, পঞ্চম সং, 1995।
3 ঠাকুৰ, নগেন (সম্পা.) ঃ *এশ বছৰৰ অসমীয়া উপন্যাস*, গুৱাহাটী বিশ্ববিদ্যালয়, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী।
4 ডেকা, নমিতা (সম্পা.) ঃ *হোমেন বৰগোহাঞিৰ সন্ধানত*, ষ্টুডেন্টচ্ ষ্ট'ৰচ্, গুৱাহাটী, প্ৰথম প্ৰকাশ, 1998।
4 *ঐ* ঃ *বাঁহীৰ পাতত চিন্তাৰ ৰেঙণি*, বনলতা, গুৱাহাটী, প্ৰথম প্ৰকাশ, 1994।
5 দত্ত, বিনীতা (সম্পা.) ঃ *অসমীয়া সাহিত্যত নাৰী*, সদৌ অসম লেখিকা সমাৰোহ সমিতি, তেজপুৰ, প্ৰথম প্ৰকাশ, 1995।
6 বৰগোহাঞিং, হোমেন (সম্পা.) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, (ষষ্ঠখণ্ড), আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, গুৱাহাটী, প্ৰথম প্ৰকাশ, 1993।
7 বৰা, দিলীপ ঃ *তুলনাত্মক সাহিত্য*, চন্দ্ৰপ্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, 2003।
8 বৰা, জয়ন্ত কুমাৰ ঃ *সুবালাৰ পৰা মৎস্যগন্ধালৈ...*, কিৰণ প্ৰকাশন, ধেমাজি, প্ৰথম প্ৰকাশ, 2007।
9 বৰুৱা, হেমচন্দ্ৰ ঃ *হেমকোষ*, প্ৰকাশক - আনন্দৰাম বৰুৱা, শিৱসাগৰ, তৃতীয় সং. 1955।

■ ■ ■